**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-09-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***<u>HEADLINES</u>***

১। **এক পেড় মা কে নাম** কাৰ্যসূচীৰ অধীনত সমগ্ৰ দেশতে এতিয়ালৈকে ৮০ কোটিতকৈও অধিক গছপুলি ৰোপণ কৰা হৈছে।

২। ষষ্ঠদশ বিত্ত আয়োগৰ অধ্যক্ষ অৰবিন্দ পানাগাৰিয়া আৰু অন্যান্য সদস্যসকলে আজি ৰাজ্যখনৰ ভালেমান অঞ্চল পৰিদৰ্শন কৰে।

৩। ৰাজ্যৰ পৰ্যটন বিভাগে বড়োলেণ্ড পৰ্যটন বিভাগৰ সহযোগত মানসত আজি বিশ্ব পৰ্যটন দিৱস উদযাপন কৰিছে।

৪। ছত্তিশগড়ৰ ভিলাইত অনুষ্ঠিত সৰ্বভাৰতীয় আৰক্ষী ভাৰোত্তোলন প্ৰতিযোগিতাত অসমৰ ত্ৰিদীপ বৰুৱাই ৮১ কিলোগ্ৰাম ওজন শাখাত সোণৰ পদক অৰ্জন কৰিছে।

***আৰু***

৫। ভাৰত আৰু বাংলাদেশৰ মাজত দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ অন্তিমখন খেল আজি অনুষ্ঠিত হৈছে।

০০০০০০০

**এক পেড় মা কে নাম** কাৰ্যসূচীৰ অধীনত সমগ্ৰ দেশতে এতিয়ালৈকে ৮০ কোটিতকৈও অধিক গছপুলি ৰোপণ কৰা হৈছে। পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ে ৮০ কোটি গছপুলি ৰোপণৰ অভিলাষী লক্ষ্যত উপনীত হোৱাত সফল হৈছে। চলিত মাহৰ ২৫ তাৰিখে নিৰ্ধাৰিত সীমাৰ ৫ দিন পূৰ্বেই এই লক্ষ্যত উপনীত হয় বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। এই সফলতাৰ বাবে চৰকাৰী সংস্থা, স্থানীয় নিকায় আৰু অন্যান্য অংশীদাৰসকলৰ সামূহিক প্ৰচেষ্টাৰ মন্ত্ৰালয়ে শলাগ লয়। **এক পেড় মা কে নাম** কাৰ্যসূচীৰ অধীনত উত্তৰ প্ৰদেশে সৰ্বাধিকসংখ্যক ২৬ কোটি গছপুলি ৰোপণ কৰি এই অভিযানৰ শীৰ্ষ স্থানত আছে। ৫ জুনত বিশ্ব পৰিৱেশ দিৱসৰ দিনা প্ৰধানমন্ত্ৰীয়ে নতুন দিল্লীত এই কাৰ্যসূচী উদ্বোধন কৰিছিল।

০০০০০০০

ষষ্ঠদশ বিত্ত আয়োগৰ অধ্যক্ষ অৰবিন্দ পানাগাৰিয়া আৰু অন্যান্য সদস্যসকলে আজি কামৰূপ মহানগৰ জিলাৰ ডিমৰিয়া উন্নয়নখণ্ডৰ অন্তৰ্গত বৰখাটত থকা মহিলা খাদ্য সংশাধন সমবায় সমিতি ভ্ৰমণ কৰে। উল্লেখযোগ্য যে, অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ সহযোগত এই সমবায় সমিতিখন গঠন কৰা হৈছে। বিত্ত আয়োগৰ অধ্যক্ষ আৰু সদস্যসকলে সমবায় সমিতিখনৰ কৰ্মকৰ্তাসকলৰ সৈতে মত বিনিময় কৰি তেওঁলোকে প্ৰস্তুত কৰি উলিওৱা সামগ্ৰীসমূহৰ বিষয়ে বুজ লয়। তেওঁলোকে বজাৰৰ সৈতে থকা সমবায় সমিতিৰ সদস্যসকলৰ যোগাযোগ

ব্যৱস্থাৰ লগতে আন আন প্ৰাসংগিক বিষয়  সম্পৰ্কতো বাৰ্তালাপ কৰে। বিত্ত আয়োগৰ দলটোৱে সোণাপুৰ গাঁওপঞ্চায়ত আৰু তেতেলীয়া গাঁও পঞ্চায়তৰ বজাৰ এলেকা পৰিদৰ্শন কৰে। এই গাঁও পঞ্চায়ত কাৰ্যালয় আৰু বজাৰ এলেকা চতুৰ্দশ আৰু পঞ্চদশ বিত্ত আয়োগৰ পুঁজিৰে নিৰ্মাণ কৰা হৈছে।

০০০০০০০

নিৰ্মিয়মান যোৰহাট - মাজুলী সেঁতুৰ কাম যোৱা ৫ ছেপ্টেম্বৰৰ পৰা বন্ধ হৈ থকা সন্দৰ্ভত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই উদ্বেগ প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীয়ে গৰাকীয়ে আজি পথ পৰিবহণ আৰু ৰাষ্ট্ৰীয় ঘাইপথ মন্ত্ৰী নীতিন গাদকাৰিলৈ পত্ৰ লিখি সেঁতুখনৰ কাম পুনৰ আৰম্ভ কৰিবলৈ এখন পত্ৰ লিখি তেওঁৰ হস্তক্ষেপ কামনাৰে এই সন্দৰ্ভত ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনায়। শ্ৰী শৰ্মাই এই কথা সামাজিক মাধ্যমযোগে প্ৰকাশ কৰে। ২০২৫ বৰ্ষৰ ডিচেম্বৰৰ ভিতৰত দলংখন সম্পূৰ্ণ হৈ উঠিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

০০০০০০০

ৰাজ্যৰ পৰ্যটন বিভাগে বড়োলেণ্ড পৰ্যটন বিভাগৰ সহযোগত মানসত আজি বিশ্ব পৰ্যটন দিৱস উদযাপন কৰিছে। বিশ্ব পৰ্যটন দিৱসৰ সমান্তৰালভাৱে আজি ৰাজ্যৰ পৰ্যটন বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই পৰ্যটকৰ বাবে মানসৰ প্ৰৱেশ দ্বাৰ মুকলি কৰে। তেওঁ বি টি আৰ অঞ্চলত শান্তি আৰু সুস্থিৰতাৰ পৰিৱেশ ঘূৰি অহাৰ বাবে    মানস ৰাষ্ট্ৰীয় উদ্যানলৈ পৰ্যটকৰ সংখ্যা বিগত বছৰসমূহত বৃদ্ধি পাইছে বুলি মন্তব্য কৰে। অনুষ্ঠানত বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো উপস্থিত থাকি বছৰি এই ৰাষ্ট্ৰীয় উদ্যানখনলৈ পৰ্যটক সংখ্যা বৃদ্ধি পোৱাৰ দৰে এইবাৰো যথেষ্ট সংখ্যক দৰ্শনাৰ্থীৰ আগমন ঘটিব বুলি আশা প্ৰকাশ কৰে। এই উপলক্ষে আজি এটা বাৰেৰহণীয়া শোভাযাত্ৰা উলিওৱা হয়।

উল্লেখযোগ্য যে ২০২৪-২৫ বৰ্ষৰ বাবে বিশ্ব ঐতিহ্য ক্ষেত্ৰ মানস ৰাষ্ট্ৰীয় উদ্যানখন পৰ্যটকৰ বাবে মুকলিৰ দিন পূৰ্বে ১ অক্টোবৰ ধাৰ্য কৰা হৈছিল যদিও পৰ্যটন দিৱসৰ লগত সংগতি ৰাখি বিভাগীয় কৰ্তৃপক্ষই ৰাষ্ট্ৰীয় উদ্যানখন আজিৰেপৰা পৰ্যটকৰ কাৰণে পুনৰ মুকলি কৰে।

০০০০০০০

সংসদৰ বিভাগ সম্পৰ্কীয় স্থায়ী সমিতিসমূহ গঠন কৰা হৈছে। বিত্ত বিষয়ক সমিটিৰ নেতৃত্ব দিব বিজেপিৰ ভৰক্ৰুহৰী মাহতাবে আৰু কংগ্ৰেছৰ শশী থাৰুৰে বৈদেশিক পৰিক্ৰমা সমিতিৰ অধ্যক্ষতা কৰিব। প্ৰতিৰক্ষা পেনেলৰ অধ্যক্ষ হিচাপে প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰাধা মোহন সিং আৰু গৃহ বিভাগ সম্পৰ্কীয় স্থায়ী সমিতিৰ নেতৃত্ব দিব বিজেপি ৰাজ্যসভাৰ সাংসদ ৰাধা মোহন দাস আগৰৱালাই। বিজেপিৰ ৰাজ্যসভাৰ সাংসদ ভুৱনেশ্বৰ কলিতাই বিজ্ঞান আৰু প্ৰযুক্তি, পৰিবেশ, বন আৰু জলবায়ু পৰিৱৰ্তন সমিতিৰ অধ্যক্ষতা কৰিব।এন চি পিৰ সাংসদ সুনীল তাটকাৰেই পেট্ৰলিয়াম আৰু

প্ৰাকৃতিক গেছ সমিতিৰ নেতৃত্ব দিব আৰু শক্তি সম্পৰ্কীয় সমিতিৰ অধ্যক্ষ হ’ব শিৱসেনাৰ শ্ৰীৰাং আপ্পা বাৰ্ণে। কংগ্ৰেছৰ সাংসদ চৰণজিৎ সিং চান্নীয়ে কৃষি, পশুপালন আৰু খাদ্য সংসাধন সমিতিৰ নেতৃত্ব দিব আৰু কংগ্ৰেছৰ সপ্তগিৰি উলাকাক গ্ৰামোন্নয়ন আৰু পঞ্চায়তীৰাজ সমিতিৰ অধ্যক্ষ হিচাপে নিযুক্তি দিয়া হৈছে। জেডি (ইউ)ৰ সঞ্জয় ঝাই পৰিবহণ, পৰ্যটন আৰু সাংস্কৃতিক সমিতিৰ নেতৃত্ব দিব আৰু টিডিপিৰ মগুণ্টা শ্ৰীনিবাসুলু ৰেড্ডীয়ে গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা সমিতিৰ অধ্যক্ষতা কৰিব। কয়লা, খনি আৰু তীখা সমিতিৰ অধ্যক্ষতা কৰিব প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপি সাংসদ অনুৰাগ ঠাকুৰে। প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰাজীৱ প্ৰতাপ ৰুডীক জলসম্পদ সমিতিৰ নেতৃত্ব দিব । বিজেপিৰ নিশিকান্ত ডুবেক যোগাযোগ আৰু তথ্য প্ৰযুক্তি সমিতিৰ অধ্যক্ষ হিচাপে নিযুক্তি দিয়া হৈছে। ডি এম কেৰ তিৰুচি শিভাই উদ্যোগ সমিতিৰ অধ্যক্ষতা আৰু তেওঁৰ দলৰ সতীৰ্থ কানিমোজিয়ে গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ সমিতিৰ অধ্যক্ষতা কৰিব। বিজেপিৰ সাংসদ চি এম ৰমেশে ন ৰেলৱে আৰু তৃণমূল কংগ্ৰেছৰ সাংসদ কীৰ্তি আজাদে ৰাসায়নিক আৰু সাৰ সমিতিৰ নেতৃত্ব দিব। বিজেপিৰ ৰাজ্যসভাৰ সাংসদ ভুৱনেশ্বৰ কলিতাই বিজ্ঞান আৰু প্ৰযুক্তি, পৰিবেশ, বন আৰু জলবায়ু পৰিৱৰ্তন সমিতিৰ অধ্যক্ষতা কৰিব। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ সমিতিৰ নেতৃত্ব দিব সমাজবাদী পাৰ্টিৰ সাংসদ ৰাম গোপাল যাদৱে। বিজেপিৰ ব্ৰিজ লালে পাৰ্ষণেল, ৰাজহুৱা অভিযোগ, আইন আৰু ন্যায় সমিতিৰ অধ্যক্ষতা কৰিব। কংগ্ৰেছৰ সাংসদ দিগ্বিজয় সিঙে শিক্ষা, মহিলা, শিশু, যুৱক-যুৱতী আৰু ক্ৰীড়া সমিতিৰ নেতৃত্ব দিব আৰু তৃণমূল কংগ্ৰেছৰ ডোলা সেনে বাণিজ্য সমিতিৰ অধ্যক্ষতা কৰিব।

০০০০০০০

জম্মু-কাশ্মীৰৰ চূড়ান্ত আৰু তৃতীয় পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰে গতি লাভ কৰিছে। ১ অক্টোবৰত ৪০টা বিধানসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ’ব। আকাশবাণী জম্মুৰ সংবাদদাতাই প্ৰকাশ কৰা অনুসৰি বিভিন্ন ৰাজনৈতিক দলৰ নেতাই ভোটাৰক আকৰ্ষণ কৰিবলৈ সমদল, আলাপ অনুষ্ঠান, ৰোডশ্ব’ৰ আয়োজন কৰিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী বিধানসভাৰ অন্তিম পৰ্যায়ৰ নিৰ্বাচনত অংশ লবলৈ কাইলৈ জম্মুত উপস্থিত হ’ব। তেওঁ মৌলানা আজাদ ষ্টেডিয়ামত ৰাজহুৱা সভাত ভাষণ দিব। আনহাতে, কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়ে আজি ৰামগড়ৰ ডুনেচক অঞ্চল আৰু ছাম্ব ছেক্টৰৰ খোৰ অঞ্চলত দুখন সভাত ভাষণ দিব, আনহাতে কাইলৈ দলীয় নেত্ৰী প্ৰিয়ংকা গান্ধীয়েও সভাত ভাষণ দিব। জম্মু কাশ্মীৰৰ চূড়ান্ত পৰ্যায়ৰ নিৰ্বাচন সকলো ৰাজনৈতিক দলৰ বাবে অতি গুৰুত্বপূৰ্ণ বিবেচিত হৈছে, কিয়নো এই পৰ্যায়ত জম্মুৰ ২৪টা বিধানসভা আৰু কাশ্মীৰ সংমণ্ডলৰ ১৬টা বিধানসভা সমষ্টি এই নিৰ্বাচনে সামৰি লৈছে।

০০০০০০০

লিবাৰেল ডেম'ক্ৰেটিক পাৰ্টীৰ নেতা ছিগেৰু ইছিবা নিজ দলৰ নেতৃত্বৰ দৌৰত বিজয়ী হোৱাৰ পাছত জাপানৰ পৰৱৰ্তী প্ৰধানমন্ত্ৰী হ'ব। তেওঁ জাতীয়তাবাদী ছানায়ে তাকাইছিক পৰাজিত কৰি বিজয় সাব্যস্ত কৰে। তাকাইছিয়ে ১৯৪টা ভোট লাভ কৰাৰ বিপৰীতে ইছিবাই ২১৫ টা ভোট লাভ কৰে। অহা অক্টোবৰত সংসদ আহ্বান কৰাৰ পাছত ইছিবাই জাপানৰ পৰৱৰ্ত প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিব।

০০০০০০০

বিজেপিয়ে আজি কৰ্ণাটকৰ মুডা কেলেংকাৰী সন্দৰ্ভত কংগ্ৰেছ দলক কঠোৰ ভাষাৰে সমালোচনা কৰিছে। নতুন দিল্লীত আজি এখন সংবাদমেল সম্বোধন কৰি দলৰ মুখপাত্ৰ ছেহজাদ পুনাবালে কংগ্ৰেছে নিজকে চি বি আই তদন্তৰ পৰা বচোৱাৰ চেষ্টা কৰি আছে বুলি অভিযোগ তোলে। তেওঁ কয় যে, কৰ্ণাটকত মুডা কেলেংকাৰী নামত হাজাৰ কোটি টকাৰ ভূমি অন্যায়ভাৱে দখল কৰা হৈছে।

০০০০০০০

ছত্তিশগড়ৰ ভিলাইত অনুষ্ঠিত সৰ্বভাৰতীয় আৰক্ষী ভাৰোত্তোলন প্ৰতিযোগিতাত অসমৰ ত্ৰিদীপ বৰুৱাই ৮১ কিলোগ্ৰাম ওজন শাখাত সোণৰ পদক অৰ্জন কৰিছে। ইফালে মহিলাৰ ৫৯ কিলোগ্ৰাম ওজন শাখাত মনালিছা সোণোৱালে সোণৰ আৰু ৮৭ কিলোগ্ৰাম ওজন শাখাত মধুস্মিতা বৰুৱাই ৰূপৰ পদক লাভ কৰিছে।

০০০০০০০

ভাৰত আৰু বাংলাদেশৰ মাজৰ দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন খেল আজি কাণপুৰৰ গ্ৰীণ পাৰ্ক ষ্টেডিয়ামত অনুষ্ঠিত হৈছে। টছট জিকি ভাৰতে প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়ষ বাংলাদেশে প্ৰথম দিনাৰ খেলত প্ৰথমে বেট ধৰি এই বাতৰি যুগুতোৱাৰ পৰলৈকে দুটা উইকেটৰ বিনিময়ত ৭৮ ৰান সংগ্ৰহ কৰিছে। চেন্নাইত অনুষ্ঠিত প্ৰথমখন টেষ্টত আলহী দলক পৰাস্ত কৰাৰ পাচত ভাৰতে শৃংখলাটো ২-০ ফলাফলেৰে হস্তগত কৰাৰ আপ্ৰাণ প্ৰয়াস কৰিব।

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ- বি চি চি আইৰ তথ্য অনুসৰি দ্বিতীয়খন টেষ্টৰ বাবে ভাৰতীয় দলত থকা খেলুৱৈসকল হ'ল- ৰোহিত শৰ্মা, য়শস্বী জয়ছৱাল, শুভমন গিল, বিৰাট কোহলী, কে এল ৰাহুল, চৰফৰাজ খান, ঋষভ পন্ত, ধ্ৰুৱ জুৰেল, আৰ অশ্বিন, ৰবীন্দ্ৰ জাদেজা, অক্ষৰ পেটেল, কুলদীপ যাদৱ , মহম্মদ চিৰাজ, আকাশ দীপ, জছপ্ৰিত বুমৰাহ আৰু য়শ দয়াল।

০০০০০০০

ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা এন আই এ আজি জম্মু খণ্ডৰ ৰাজৌৰি আৰু ৰিয়াছি জিলাৰ ভালেমান অঞ্চলত তদন্ত অভিযান আৰম্ভ কৰিছে। চলিত বছৰৰ জুনত এখন বাছত সংঘটিত ভয়ানক সন্ত্ৰাসবাদী আক্ৰমণৰ তদন্ত প্ৰক্ৰিয়াৰ অংশ হিচাপে এই অভিযান আৰম্ভ কৰা হৈছে। ৰিয়াছি জিলাৰ শিৱ খঁৰি মন্দিৰৰ পৰা তীৰ্থযাত্ৰী কঢ়িয়াই অনা বাছখনত সন্ত্ৰাসবাদীয়ে আক্ৰমণ চলাইছেল। আকাশ জম্মুৰ সংবাদদাতাই জনোৱা অনুসৰি আজি পুৱাৰে পৰা এন আই এৰ কেইবাটাও তদন্ত অভিযান অব্যাহত ৰাখিছে।

০০০০০০০

সমাপ্ত